UG HT S4-02
(DSC)

# চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

## (চি.বি.চি.এছ, এন ই পি ২০২০ অনুসৰি)

## চতুৰ্থ ষাণ্মাসিক

# ভাৰতৰ সাংস্কৃতিক ইতিহাস

# ইতিহাস

সূৰ্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়**

**বিষয় বিশেষজ্ঞ মণ্ডলী**

ড° সুনীল প্রৱণ বৰুৱা, অৱসৱপ্রাপ্ত অধ্যক্ষ, বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী
ড° গজেন্দ্র অধিকাৰী, অধ্যক্ষ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মির্জা
ড° মৌচুমী দত্ত পাঠক, মুৰব্বী অধ্যাপিকা, ইতিহাস বিভাগ, আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী

**সমন্বয়ৰক্ষীঃ** ড° সুকমায়া লামা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**প্রস্তুতি গোটৰ সদস্য**

| *অধ্যায়* | *অৱিহণা যোগাইছে* | *ভাষান্তৰকাৰী* |
|---|---|---|
| ১-৩ | সংঘমিত্রা শর্মা, টিহু মহাবিদ্যালয় | দীপশিখা বর্মন,গৱেষক<br>গুৱাহাটী বিশ্ববিদ্যালয় (১-৩) |
| ৪-৮ | বিৱাজজ্যোতি ডেকা<br>গৱেষক শিক্ষার্থী<br>গুৱাহাটী বিশ্ববিদ্যালয় | সংঘমিত্রা শর্মা, টিহু মহাবিদ্যালয় (৪)<br>পল্লৱ বৰুৱা, সর্বদয়া মহাবিদ্যালয় (৫-৬)<br>ৰীতা দাস, বৰনগৰ মহাবিদ্যালয় (৭-৮) |
| ৯ | ৰশ্মিতা ফুকন, কটন মহাবিদ্যালয় | কন্যা দাস |
| ১০ | সৌৰভ কুমাৰ, দিল্লী বিশ্ববিদ্যালয় | চেলিম মহম্মদ শইকীয়া |
| ১১ আৰু ১৪ | ইন্দ্রাণী ডেকা, প্রাগজ্যোতিষ মহাবিদ্যালয় | চেলিম মহম্মদ শইকীয়া |
| ১২ | পল্লৱ বৰুৱা, সর্বদয়া মহাবিদ্যালয় | পল্লৱ বৰুৱা, সর্বদয়া মহাবিদ্যালয় |
| ১৩ | ড° ইন্দ্রাণী চৌধুৰী<br>এল চি বি মহাবিদ্যালয় | পল্লৱ বৰুৱা, সর্বদয়া মহাবিদ্যালয় |
| ১৫ | মৃদুৎপল গোস্বামী, দুধনৈ মহাবিদ্যালয়<br>ড° সুকমায়া লামা<br>কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় | চেলিম মহম্মদ শইকীয়া<br>প্রবীণ চহৰীয়া |

**সম্পাদনা গোট ঃ**

**বিষয়বস্তু সম্পাদনা (ইংৰাজী সংস্কৰণ)** ঃ **অধ্যাপিকা পাৰমিতা দাস,** গুৱাহাটী বিশ্ববিদ্যালয়
**ভাষা সম্পাদনা (ইংৰাজী সংস্কৰণ)** ঃ **জয়ী দাস,** গৱেষক (তেজপুৰ বিশ্ববিদ্যালয়)
**ভাষা সম্পাদনা (অসমীয়া সংস্কৰণ)** ঃ **ড° ৰুণমনি বৰা ফুকন,** চন্দ্রপুৰ মহাবিদ্যালয়
**গাঁথনিক সম্পাদনা** ঃ **ড° সুকমায়া লামা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৯

***ISBN : 978-93-89123-45-6***

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।*

**মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী-৭৮১০১৭**
**উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপৰ, গুৱাহাটী - ৭৮১০০৬ : Web : www.kkhsou.in**

# বিষয় সূচী

## খণ্ড ১


পৃষ্ঠা নং

**অধ্যায় ১ ঃ** **প্রাক ঐতিহাসিক সংস্কৃতি** ৫-১৪
প্রত্নপ্রস্তৰ যুগৰ সংস্কৃতি, মধ্যপ্রস্তৰ যুগৰ সংস্কৃতি,
নৱপ্রস্তৰ যুগৰ সংস্কৃতি

**অধ্যায় ২ ঃ** **হৰপ্পাৰ সংস্কৃতি** ১৫-২৫
সংস্কৃতিৰ পৰিসৰ আৰু প্রকৃতি, হৰপ্পাৰ বাসিন্দাসকল, পতন

**অধ্যায় ৩ ঃ** **বৈদিক সংস্কৃতি** ২৬-৩৭
প্রাক বৈদিক যুগৰ সংস্কৃতি, পৰৱর্তী যুগৰ বৈদিক সংস্কৃতি

**অধ্যায় ৪ ঃ** **মৌর্য যুগত সাংস্কৃতিক বিকাশ** ৩৮-৪৮
সাহিত্য, কলা আৰু স্থাপত্য

**অধ্যায় ৫ ঃ** **মৌর্য যুগৰ পৰৱর্তী সময়ৰ সংস্কৃতি** ৪৯-৬০
শুংগ-কন্ব যুগৰ কলা, সংগম যুগ, গান্ধাৰ আৰু মথুৰা চিত্রশৈলী

**অধ্যায় ৬ ঃ** **গুপ্তসকলৰ শাসনকালত হোৱা সাংস্কৃতিক বিকাশ** ৬১-৭৫
সংস্কৃত সাহিত্যৰ বিকাশ, আঞ্চলিক ভাষাৰ সাহিত্যৰ বিকাশ,
গুপ্ত কলা-ভাস্কর্য, চিত্র, সংগীত; গুপ্ত স্থাপত্যশিল্প

**অধ্যায় ৭ ঃ** **গুপ্তসকলৰ পৰৱর্তী যুগৰ স্থাপত্যশিল্প, ভাস্কর্যশিল্প আৰু চিত্রশিল্প** ৭৬-৯০
নাগাৰা তথা দ্রাবিড় শৈলীৰ স্থাপত্য, ভাস্কর্য আৰু চিত্রশিল্পৰ

**অধ্যায় ৮ ঃ** **গুপ্তসকলৰ পৰৱর্তী যুগত হোৱা সাহিত্যৰ বিকাশ** ৯১-১০২
সংস্কৃত সাহিত্য, তামিল সাহিত্য (সংগম), ধর্মনিৰপেক্ষ সাহিত্য

**অধ্যায় ৯ঃ** **চুলতানসকলৰ যুগত কলা আৰু সাহিত্য** ১০৯-১১৬
স্থাপত্য শিল্প, সুকুমাৰ কলা, ভাস্কর্য শিল্প, চিত্রশিল্প, সংগীতৰ বিকাশ
নৃত্য আৰু নাটৰ বিকাশ, সংস্কৃত আৰু আঞ্চলিক সাহিত্যৰ বিকাশ

**অধ্যায় ১০ঃ** **চুফী আন্দোলন** ১১৭-১২৭
চুফীবাদৰ উৎপত্তি, চুফীবাদৰ বিভিন্ন পন্থা, চুফীবাদৰ প্রভাৱ

**অধ্যায় ১১ঃ** **ভক্তি আন্দোলন** ১২৮-১৩৯
ভক্তি আন্দোলনৰ উৎপত্তি, ভক্তি আন্দোলনৰ বিভিন্ন পণ্ডিত,
ভক্তি আন্দোলনৰ অৱদান, মহিলা ভক্ত

**অধ্যায় ১২ঃ** **দক্ষিণ ভাৰতৰ কলা আৰু স্থাপত্য শিল্প** ১৪০-১৪৯
ছোলা, পল্লৱ, চালুক্য আদি ৰাজবংশৰ পৃষ্ঠপোষকতাত হোৱা কলা
আৰু স্থাপত্য শিল্পৰ বিকাশ, মৌলিক বৈশিষ্ট্য, অৱদানসমূহ

**অধ্যায় ১৩ঃ** **মোগল যুগত হোৱা সাংস্কৃতিক বিকাশ** ১৫০-১৬৪
সাহিত্য ঃ সংস্কৃত সাহিত্য, ইছলামীয় সাহিত্যৰ বিকাশ, আঞ্চলিক আৰু ধর্মনিৰপেক্ষ
সাহিত্যৰ বিকাশ, স্থাপত্য-ভাস্কর্য; মোগলৰ শাসনকালত হোৱা
চিত্রশিল্পৰ বিকাশ, ৰাজস্থানী চিত্রশৈলী, সংগীত

**অধ্যায় ১৪ঃ** **মোগল যুগত ধর্মীয় বিকাশ** ১৬৫-১৭৬
মোগল শাসকসকলৰ ধর্মীয় নীতি, হিন্দুত্ববাদ

**অধ্যায় ১৫ঃ** **অসমৰ নৱ বৈষ্ণৱ আন্দোলনৰ সাংস্কৃতিক অৱদান** ১৭৭-১৮৮
বৰগীত, ভাওনা, বিভিন্ন বাদ্যযন্ত্র, সত্রীয়া নৃত্য

## পাঠ্যবিষয় পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সংশোধিত যান্মাসিক ব্যৱস্থাৰ কলা শাখাৰ স্নাতক কার্যসূচীৰ পঞ্চম যান্মাষিকৰ শিক্ষার্থীসকলৰ বাবে এই পাঠ্যবিষয়টো প্রস্তুত কৰা হৈছে। 'ভাৰতৰ সাংস্কৃতিক ইতিহাস' নাম দিয়া এই পাঠ্যবিষয়টোৱে সাংস্কৃতিক ইতিহাসৰ দৃষ্টিৰে ভাৰতীয় ইতিহাসত আলোকপাত কৰিছে। পাঠ্যবিষয়টোত মুঠ ১৫টা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে।

## খণ্ড পৰিচয়

এইটো হ'ল পাঠ্য বিষয়ৰ প্রথম খণ্ড। এই খণ্ডত প্রাক ঐতিহাসিক কালৰ পৰা গুপ্তসকলৰ শাসনকালৰ পৰৱর্তী সময়ছোৱাৰ ভাৰতীয় সাংস্কৃতিক ইতিহাসৰ পৰিচয় দাঙি ধৰা হৈছে। খণ্ডটোৰ মুঠ ৮টা অধ্যায় আছে।

প্রথম অধ্যায়টোৰ নাম হ'ল প্রাক ঐতিহাসিক সংস্কৃতি। ইয়াত প্রত্নপ্রস্তৰ, মধ্যপ্রস্তৰ আৰু নৱপ্রস্তৰ যুগৰ সংস্কৃতি সম্পর্কে আলোচনা কৰা হৈছে। হ�ৰপ্পাৰ সংস্কৃতি নমৰ দ্বিতীয় অধ্যায়টোৰ আলোচনাৰ বিষয় হ'ল হ�ৰপ্পা যুগ, ইয়াৰ সংস্কৃতি, বাসিন্দা আৰু হৰপ্পা সভ্যতাৰ পতন। তৃতীয় অধ্যায় বৈদিক সংস্কৃতিত বৈদিক যুগৰ আৰম্ভণি আৰু পৰৱর্তী সময়ৰ সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হৈছে। চতুর্থ অধ্যায়ৰ শিৰোনাম হ'ল মৌর্য যুগত সাংস্কৃতিক বিকাশ। ইয়াত মৌর্য যুগৰ অধীনত হোৱা সাহিত্য, কলা আৰু স্থাপত্যৰ বিকাশ আলোচনা কৰা হৈছে। মৌর্য যুগৰ পৰৱর্তী সময়ৰ সংস্কৃতি শীর্ষক পঞ্চম অধ্যায়ত মৌর্য শাসন ওৰ পৰাৰ পাছত ক্ষমতালৈ অহা শাসকসকলৰ পৃষ্ঠপোষকতাত হোৱা কলা-সংস্কৃতিৰ বিকাশ আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায় গুপ্তসকলৰ শাসনকালত হোৱা সাংস্কৃতিক বিকাশত গুপ্ত বংশৰ শাসকসকলখ পৃষ্ঠপোষকতাত হোৱা কলা-সংস্কৃতিৰ বিকাশত আলোকপাত কৰা হৈছে। সপ্তম অধ্যায়ৰ শিৰোনাম হ'ল গুপ্তসকলৰ পৰৱর্তী যুগৰ স্থাপত্য শিল্প, ভাস্কর্য শিল্প আৰু চিত্রশিল্প। অধ্যায়টোত গুপ্ত যুগ ওৰ পৰাৰ পাছত হোৱা স্থাপত্য, ভাস্কর্য আৰু চিত্রশিল্পৰ অগ্রগতি আলোচনা কৰা হৈছে। গুপ্তসকলৰ পৰৱর্তী যুগত হোৱা সাহিত্যৰ বিকাশ নামৰ অষ্টম অধ্যায়টোত আলোচনা কৰা প্রধান বিষয়টো হ'ল গুপ্ত শাসন ওৰ পৰাৰ পাছত সাহিত্যৰ ক্ষেত্রখনত হোৱা বিকাশ।

এই খণ্ডটি অধ্যয়ন কৰোঁতে আপুনি প্রত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চর্চা কৰক' শীর্ষক বাকচত নির্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষার্থীয়ে সেই সম্পর্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতিৰ সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্রগতিৰ ক্ষতিয়ান' শীর্ষক শাখাটোত 'অগ্রগতি নিৰীক্ষণ'ৰ প্রশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষার্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটামান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ 'প্রসংগ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। শিক্ষার্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

## পাঠ্যবিষয় পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সংশোধিত যান্মাসিক ব্যৱস্থাৰ কলা শাখাৰ স্নাতক কার্যসূচীৰ পঞ্চম যান্মাষিকৰ শিক্ষার্থীসকলৰ বাবে এই পাঠ্যবিষয়টো প্রস্তুত কৰা হৈছে। 'ভাৰতৰ সাংস্কৃতিক ইতিহাস' নাম দিয়া এই পাঠ্যবিষয়টোৱে প্রাক ঐতিহাসিক যুগৰ পৰা নৱ-বৈষ্ণৱ আন্দোলনৰ কালছোৱালৈকে ভাৰতৰ সাংস্কৃতিক ইতিহাসত আলোকপাত কৰিছে। পাঠ্যবিষয়টোত মুঠ ১৫টা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে।

## খণ্ডবিষয়ৰ পৰিচয়

এইটো হ'ল পাঠ্য বিষয়ৰ দ্বিতীয় খণ্ড। ইয়াত ভাৰতত চুলতানসকলৰ ৰাজত্বকালত হোৱা সাংস্কৃতিক বিকাশৰ পৰা আৰম্ভ হৈ অসমত চলা নৱ বৈষ্ণৱ আন্দোলনৰ সময়ছোৱালৈকে হোৱা সাংস্কৃতিক অগ্রগতি আলোচনা কৰা হৈছে। এই খণ্ডটোৰ মুঠ ৭টা অধ্যায় আছে। নৱম অধ্যায়টোৰ শিৰোনাম হ'ল চুলতানসকলৰ যুগত কলা আৰু সাহিত্য। ইয়াত চুলতানসকলৰ শাসনকালত হোৱা সাহিত্য, নৃত্য, সংগীত, স্থাপত্যশিল্পৰ বিকাশ সম্পর্কে বহলাই আলোচনা কৰা হৈছে। চুফী আন্দোলন নামৰ দশম অধ্যায়ত আলোচিত বিষয়বোৰ হ'ল চুফীবাদৰ উৎপত্তি আৰু মধ্যযুগৰ ভাৰতত চুফী আন্দোলনৰ প্রভাৱ। একাদশ অধ্যায়ৰ শিৰোনাম হ'ল ভক্তি আন্দোলন। ইয়াত ভক্তি আন্দোলনৰ উৎসৰ লগতে ভাৰতীয় সাংস্কৃতিক ক্ষেত্রখনত বিভিন্ন ভক্তিবাদী পণ্ডিতে আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায়টোৰ নাম হ'ল দক্ষিণ ভাৰতৰ কলা আৰু স্থাপত্য শিল্প। ইয়াত ছোলা, পল্লৱ আৰু চালুক্য আদি ৰাজবংশৰ পৃষ্ঠপোষকতাত দক্ষিণ ভাৰতত হোৱা কলা আৰু স্থাপত্য শিল্পৰ বিকাশ সম্পর্কে আলোচনা কৰা হৈছে। মোগল যুগত হোৱা সাংস্কৃতিক বিকাশ হ'ল ত্রয়োদশ অধ্যায়ৰ শিৰোনাম। ইয়াত মোগল শাসকসকলৰ পৃষ্ঠপোষকতাত হোৱা কলা, সাহিত্য আৰু স্থাপত্য শিল্পৰ বিকাশত আলোকপাত কৰা হৈছে। চতুর্দশ অধ্যায়টোৰ নাম হ'ল মোগল যুগৰ ধর্মীয় বিকাশ। ইয়াত মোগল শাসকসকলে হিন্দু প্রজাৰ প্রতি দেখুওৱা ধর্মীয় মনোভাৱ সম্পর্কে আলোচনা কৰা হৈছে। পঞ্চদশ অধ্যায়টোৰ শিৰোনাম হ'ল অসমৰ নৱ বৈষ্ণৱ আন্দোলনৰ সাংস্কৃতিক অৱদান। ইয়াত নৱ-বৈষ্ণৱ সংস্কৃতি আৰু ইয়াৰ সৈতে জড়িত সংগীত, নৃত্য, নাট, ভাওনা আদি দিশ বহলাই আলোচনা কৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে আপুনি প্রত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চর্চা কৰক' শীর্ষক বাকচত নির্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষার্থীয়ে সেই সম্পর্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতিৰ সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্রগতিৰ ক্ষতিয়ান' শীর্ষক শাখাটোত 'অগ্রগতি নিৰীক্ষণ'ৰ প্রশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষার্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আর্হি প্রশ্ন' হিচাপে কেইটামান প্রশ্নৰ আর্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ 'প্রসংগ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। শিক্ষার্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

# অধ্যায় ১ ঃ প্রাক্-ঐতিহাসিক সংস্কৃতি

**অধ্যায় গাঠনিঃ**

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ প্রত্ন প্রস্তৰ যুগৰ সংস্কৃতি
১.৪ মধ্যপ্রস্তৰ যুগৰ সংস্কৃতি
১.৫ নৱপ্রস্তৰ যুগৰ সংস্কৃতি
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্রাক্-ঐতিহাসিক সংস্কৃতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- প্রত্নপ্রস্ত, মধ্যপ্রস্ত আৰু নৱপ্রস্তৰ যুগৰ জীৱন, খদ্যাভাস, আৰু আহিলা সমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- প্রাক্-ঐতিহাসিক যুগৰ প্রাৰম্ভিক কালত হোৱা গাওঁ বসতিৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

## ১.২ পৰিচয়

'ভাৰতৰ সাংস্কৃতিক ইতিহাস' নামৰ খণ্ডটোৰ এইটো প্রথম অধ্যায়। এইটো অধ্যায়ত প্রাক্-ঐতিহাসিক যুগৰ নিবাস, তেওঁলোকৰ জীৱনশৈলী আৰু স্থায়ী বসতিৰ বিষয়ে আলোচনা কৰা হৈছে। প্রাক-ঐতিহাসিক যুগে লিখিত ইতিহাসৰ আগৰ কালছোৱাক সূচায়। ভাৰতৰ ইতিহাসৰ প্রাক্-ঐতিহাসিক যুগক ইতিহাসবিদ সকলে বিভিন্ন ক্রমবিৱর্তনৰ স্তৰত ভাগ কৰিছে। এইটো অধ্যায়ত আমি প্রাক্-ঐতিহাসিক যুগৰ লোকসকলৰ জীৱন, খাদ্যাভাস আৰু তেওঁলোকে ব্যৱহাৰ কৰা আহিলাবোৰৰ বিষয়ে মূলতঃ জানিবলৈ পাম। প্রাক্-ঐতিহাসিক যুগত মানৱজাতিৰ জীৱনধাৰণ আৰু বসতিৰ বাবে পৰিবেশৰ ওপৰত নির্ভৰশীল আছিল। সেই সময়ৰ লোকসকলৰ জীৱনধাৰণ আৰু বসতি পৰিবেষ্টিত জলবায়ুৰ ওপৰত নির্ভৰশীল আছিল।

মানৱ সভ্যতাৰ বিৱর্তনৰ লগতেই প্রাক্ঐতিহাসিক যুগৰ আৰম্ভণি ঘটিছিল। ঐতিহাসিকসকলে মত পোষণ কৰিছে যে পৃথিৱী উৎপত্তি হৈছিল প্রায় ৪.৫ বিলিয়ন বছৰ আগতে আৰু মানৱ সভ্যতাৰ আৰ্বিভাৱ ঘটিছিল ২,০০,০০০ বছৰ আগতে।



**জানি থোৱা ভাল**

প্রায় ৬ মিলিয়ন বছৰ আগতে প্রথম মানৱ সদৃশ জীৱ আফ্রিকাত বসবাস কৰিছিল। বর্তমানৰ 'আধুনিক মানুহ' যাক হোম' চেপিয়নচ্ বুলি নামাকৰণ কৰা হৈছে, এই জীৱবিধ পৃথিৱীত ২,০০,০০০ বছৰ আগতে আৰ্ৱিভাৱ হৈছিল।

মানৱজাতিৰ উৎপত্তিৰ কালছোৱা 'প্লেইছটোচিন' (Pleistocene) বা হিম যুগ (Ice Age)ৰ অন্তর্ভুক্ত। হিমযুগ ২৫,৮৮,০০০ পৰা ১১,৭০০ লৈ বিস্তৃত। হিমযুগত পৃথিৱীৰ ওপৰিভাগ বৰফেৰে আবৃত আছিল। প্রাক্-ঐতিহাসিক যুগ প্রায় ২,০০,০০০ খ্রীষ্টপূর্বত আৰম্ভ হৈ প্রায় ২০০০ খ্রী. পূর্বত শেষ হৈছিল। এই কালছোৱা দীর্ঘ হোৱা বাবে ইতিহাসবিদ সকলে সেই কালছোৱাৰ পাৰিপার্শ্বিক অৱস্থাৰ পৰিৱর্তন আৰু ব্যৱহৃত আহিলা সমূহৰ ওপৰত নির্ভৰ কৰি তিনিটা ভাগত ভাগ কৰিছে। এই ভাগ কেইটা হ'লঃ প্রত্নপ্রস্তৰ যুগ (২,০০,০০০ খ্রীষ্টপূর্বত-৯,০০০ খ্রীষ্টপূর্ব),মধ্যপ্রস্তৰ যুগ (৯,০০০ খ্রীষ্টপূর্বত-৪,০০০ খ্রীষ্টপূর্ব), নৱপ্রস্তৰ যুগ (৪,০০০ খ্রীষ্টপূর্বত-২,০০০ খ্রীষ্টপূর্ব)



**জানি থোৱা ভাল**

'প্লেইচ্টোচিন্' শব্দটো পোনপ্রথমবাৰৰ বাবে উদ্ভাৱন কৰিছিল ১৯ শ শতিকাৰ বৃটিছ ভূ-তত্ববিদ চাৰ চার্লচ লায়েল। প্লেইচটোচিন্ শব্দটোৰ মূল গ্রীক শব্দ 'প্লেইচটোচ' আৰু 'কাইনোচ' 'প্লেইচটোচ' শব্দৰ অর্থ হ'ল 'আটাইতকৈ' (most) আৰু 'কাইনোচ' শব্দৰ অর্থ হ'ল 'নতুন' বা সম্প্রতি (Recent) অর্থাৎ এই শব্দটোৰ মানে হ'ল 'নতুন বা সম্প্রতি কাল' ।

গ্রীক শব্দ পেলিঅ' ক 'পেলাইও' হ'ল পুৰণি, মেচোচ্ (Mesos) মানে মধ্য (M iddle), নেঅ' মানে নতুন আৰু 'লিথচ্' মানে শিল। গতিকে পেলেওলিথিক যুগ, মেচোলিথিক যুগ আৰু নেওলিথিক যুগক ক্রমে পুৰণি বা প্রত্নপ্রস্তৰ যুগ, মধ্য প্রস্তৰ যুগ আৰু নৱপ্রস্তৰ যুগ বুলি কোৱা হয়।

সেয়েহে প্রাক্-ঐতিহাসিক কালছোৱাক 'পাথৰৰ যুগ' (Stone Age) বুলি ক'ব পৰা যায় কিয়নো সেই সময়ত পাথৰেৰে নির্মিত বিভিন্ন সজুলিৰ বহুল ব্যৱহাৰ হৈছিল। যিহেতু প্রাক্-ঐতিহাসিক যুগৰ বিস্তৃতি যথেষ্ট দীঘল সেয়েহে সেই কালচোৱাক বিভিন্ন ভাগবোৰ পৃথক পৃথককৈ অধ্যয়ন কৰাৰ আৱশ্যক। এতিয়া আমি এই ভাগবোৰ পর্য্যায়ক্রমে অধ্যয়ন কৰিম।

## ১.৩ প্রত্নপ্রস্তৰ যুগৰ সংস্কৃতি

প্রত্নপ্রস্ত সংস্কৃতি প্লেইচটোকেন ভূ-তত্বীয় কালৰ অন্তর্গত এক সংস্কৃতি। সেই সময়ৰ পাৰিপার্শ্বিক অৱস্থা এতিয়াৰ সময়তকৈ বেলেগ আছিল। প্লেইচটোকেল যুগৰ পৰিবেশ আছিল শীতল, শুকান আৰু পৃথিৱীৰ ওপৰিভাগ বৰফেৰে আবৃত আছিল। ভাৰতবর্ষত প্রায় ৯০০০

খ্রী.পূ.ত মানৱ জাতিৰ আৱির্ভাৱৰ লগে লগে প্রত্নতাত্বিক যুগৰ আৰম্ভণি ঘটিছিল। প্রত্নপ্রস্তৰ যুগৰ বিকাশ ঘটা কেইবাটাও অঞ্চল ইতিমধ্যে আৱিষ্কাৰ হৈছে যদিও সিন্ধু, গংগা আৰু যমুনা নদীৰ পলসুৱা সমতল ভূমি অঞ্চলত এই যুগৰ অৱস্থিতি উদ্ধাৰ হোৱা নাই।

প্রত্নপ্রস্তৰ যুগৰ লোকসকল আছিল অঘৰী। তেওঁলোকে ঘৰ নির্মাণ পদ্ধতিৰ বিষয়ে অৱগত নাছিল। তেওঁলোকে গুহা আদিৰ নিচিনা প্রাকৃতিক অবয়ববোৰৰ ভিতৰতে জীৱন যাপন কৰিছিল। প্রত্ন প্রস্তৰ কালৰ লোকসকলে চিকাৰ আৰু ফল-ফুল, গছৰ মূল আদি সংগ্রহ কৰি খাদ্যহিচাপে গ্রহণ কৰিছিল। সেই যুগৰ লোকসকলে শীতনিবাৰণৰ বাবে জীৱ জন্তুৰ ছাল, গছৰ বাকলি আৰু পাত গাত মেৰিয়াই লৈছিল। এনেদৰে, প্রত্নতাত্বিক যুগৰ লোকসকল জীৱন প্রণালী আৰু বসতি প্রধানকৈ প্রাকৃতিক সম্পদৰ ওপৰত নির্ভৰশীল আছিল।

চিকাৰ কার্য্যৰ বাবেও প্রত্নপ্রস্তৰ লোকসকল তেওঁলোকৰ আশে পাশে বিৰাজ কৰা পৰিৱেশৰ ওপৰত নির্ভৰশীল আছিল। তেওঁলোকে প্রাকৃতিকভাৱে পোৱা শিল আৰু জীৱ-জন্তুৰ হাড়েৰে আহিলা তৈয়াৰ কৰিছিল, চিকাৰৰ উপৰিও এই আহিলা সমূহ কটা আৰু খন্দা কামত ব্যৱহৃত হৈছিল।



**জানি থোৱা ভাল**

প্রত্নপ্রস্তীয় আহিলা সমূহ নির্মাণৰ বাবে ব্যৱহৃত প্রাকৃতিক শিলবোৰ 'কিউৰ্ৱাটজাইট' (Quartzite ) নামৰ কঠিন শিলৰ পৰা কাটি উলিওৱা হৈছিল। সেয়েহে, ভাৰতবর্ষত প্রত্নতাত্বিক কালৰ লোক সকলক (Quartzite) 'কিউৰ্ৱাটজাইট মানুহ' বুলিও কোৱা হয়।

প্রত্নপ্রস্তৰ যুগত সভ্যতাৰ বিকাশ ঘটা নাছিল। তথাপি সেই যুগৰ লোকসকলে চিত্রাংকনৰ লগত পৰিচিত আছিল। প্রত্নতাত্বিক যুগৰ ছৱিবোৰৰ বিষয়বস্তুৰ ভিতৰত চিকাৰ দৃশ্যবোৰ আছিল বহুলভাৱে প্রচলিত চিত্রাংকনৰ বিষয়বস্তু। প্রস্থৰ চিত্রবোৰ মধ্য প্রদেশৰ 'ভিমবেটকা' (Bhimbetaka) গুহাত আৱিষ্কৃত হৈছে।

প্রত্নপ্রস্তৰ আহিলাবোৰ অন্ধ্রপ্রদেশৰ কুৰনোল্ জিলা আৰু উত্তৰ প্রদেশৰ বেলন্ উপত্যকাত আৱিষ্কাৰ হৈছে। বেলন উপত্যকাত হাড়ৰ সঁজুলি আৰু জীৱ-জন্তুৰ অৱশিষ্ট অংশৰ লগতে শিলৰ সঁজুলি পোৱা গৈছে। ভাৰতবর্ষত প্রত্নপ্রস্তৰ যুগৰ বিস্তৃতি দীঘলীয়া হোৱা হেতুকে, ইতিহাসবিদ সকলে তিনিটা ভাগত ভাগ কৰিছে- আদি বা নিম্ন (২,০০,০০০ বছৰৰ পৰা -১,০০,০০০ বছৰ আগৰ), মধ্য (প্রায়, ১,০০,০০০ বছৰৰ পৰা -৪০,০০০ বছৰ আগৰ) আৰু অন্তিম বা উচ্চ (৪০,০০০ বছৰৰ পৰা-৯,০০০ বছৰ)। শিলেৰে নির্মিত আহিলাবোৰৰ দ্বাৰা প্রত্নপ্রস্তৰ যুগৰ শৈলীৰ বিষয়ে জানিব পৰা যায়। এই তিনিওটা স্তৰতেই ব্যৱহৃত শিলৰ আহিলাবোৰ আছিল ইটোৰ পৰা আনটো পৃথক। এই আহিলাবোৰৰ পৰিবর্তনৰ মূলতে আছিল জলবায়ুৰ পৰিবর্তন।

চোহান উপত্যকাত (পশ্চিম পঞ্জাৱত অৱস্থিত, বর্তমান পাকিস্তানৰ অন্তর্গত) নর্মদা উপত্যকা (মধ্যপ্রদেশ, মহাৰাষ্ট্র আৰু গুজৰাটৰ অন্তর্গত), দিদৱানা (ৰাজস্থানত অৱস্থিত),

ভিমবেটকা (মধ্যপ্রদেশৰ ভূপালৰ সমীপৱর্তী), কাশ্মীৰ আৰু থৰ মৰুভূমিত নিম্ন আদি প্রস্তপ্রস্তৰ যুগৰ বসতিৰ প্রমাণ পোৱা গৈছে। এই ঠাইবোৰত প্রাকৃতিক শিলেৰে গঠিত আহিলা উদ্ধাৰে হৈছে। আদি প্রত্নপ্রস্তৰ যুগৰ লোকসকলে হাত কুঠাৰ (hand axes), ডাঙৰ চুৰি (cleavers) আৰু দা (choppers) আদি শিলেৰে নির্মিত সঁজুলি ব্যৱহাৰ কৰিছিল। হাত-কুঠাৰ হ'ল সাধাৰণতে ব্যৱহৃত প্রধান আহিলা। এই আহিলাবিধৰ আকৃতি তিনিচুকীয়া, এফালে বহল আৰু আনটোফালে জোঙা। ডাঙৰ চুৰিবোৰ হ'ল বহল চাৰিচুকীয়া বা তিনিচুকীয়া শিলৰ অংশৰে নির্মিত আহিলা। এই চুৰিবোৰৰ এটা ফাল পোন, বহল কটা ফাল এটা থাকে। দা (choppers) হ'ল এখন ডাঙৰ আহিলা যাৰ এটা ফাল ব্যৱহৃত হয়। আদি প্রত্নপ্রস্ত যুগৰ ভূ-তাত্বিক বয়স হ'ল নিম্ন প্লেইচটোকেন কাল।

মধ্য প্রত্নপ্রস্তৰ যুগ বিস্তৃতি উদ্ধাৰ হৈছিল চোহান উপত্যকাত, নর্মদা উপত্যকা, দিদৱানা, ভিমবেটকা, বেগ'ৰ আৰু কৰমালি উপত্যকা (দুয়োটা উপত্যকা ৰাজস্থানত অৱস্থিত), আৰু নেডেছা (মহাৰাষ্ট্রত অৱস্থিত)। প্রত্নপ্রস্তৰ কালছোৱাত সঁজুলিবোৰৰ ক্রমান্বয়ে পৰিবর্তন হ'বলৈ আৰম্ভ কৰিছিল। দা (choppers) আৰু চুৰি (cleavers) বোৰৰ প্রচলন চলি আছিল যদিও সৰু আৰু কম ওজনৰ আহিলাবোৰহে বেছি ব্যৱহৃত হ'বলৈ ধৰিছিল। প্রত্নপ্রস্তৰ যুগৰ লোকসকলৰ প্রাকৃতিক শিলগুটি কাৰখানা আছিল। সেইসময়ৰ লোকসকলে ব্যৱহাৰ কৰা গুৰুত্বপূর্ণ আহিলাবোৰ হ'ল- সর্ঘণযন্ত্র, বীজ উলিওৱা মন্ত্র আৰু বটালি।

মধ্য প্রত্নপ্রস্তীয় আহিলাসমূহ সাধাৰণতে নদীৰ পাথৰবোৰৰ মাজত পোৱা গৈছিল। ইয়ে সেইসময়ৰ জলবায়ুৰ অৱস্থাৰ বিষয়ে আভাস দিয়ে। মধ্য প্রত্নপ্রস্তৰ যুগৰ ভূ-তাত্বিক বয়স হ'ল মধ্য প্লেইচটোকেল কালছোৱা। থৰ অঞ্চলৰ ৰঙচুৱা কপিলা মাটিত মধ্য প্রত্নপ্রস্তীয় আহিলা উদ্ধাৰ হৈছে। এইটোৱে ইয়াকে সূচায় যে নিম্ন প্রত্নপ্রস্তৰ কালছোৱাতকৈ বেছি পৰিমানৰ গছ-গছনি, বেছি-পৰিমানৰ পানী আৰু কম আর্দ্রীয় জলবায়ু।

অন্তিম প্রত্নপ্রস্তৰ কালছোৱা আছিল হিমযুগৰ শেষৰ কালছোৱা (যি শেষ হৈছিল প্রায় ১১,৭০০ খ্রীঃপূঃত) আৰু অন্তিম প্রত্নপ্রস্তৰ কাল বর্তী আছিল হিমযুগৰ কিছু পিছৰ সময়ছোৱালৈ, যি প্রায় ৯,০০০ খ্রী.পূ. বর্তি আছিল। অন্তিম প্রত্নপ্রস্তৰ যুগৰ অৱস্থিতিৰ মূল ঠাই আছিল বেলন উপত্যকা, ভীমবেটকা, বেগৱ, ৰেণুগুন্তা (অন্ধ্রপ্রদেশৰ অর্ন্তগত) আৰু সিংভূম (স্কনাৰখণ্ডৰ) অর্ন্তগত। অন্তিম প্রত্নপ্রস্তৰ যুগৰ ভূ-তাত্বিক বয়স হ'ল উচ্চ প্লেইচটোকেন কাল। সেই যুগৰ লোকসকলক পাথৰ (flint industry) কাৰখানা আছিল আৰু তেওঁলোকে ব্লেড, বটালি আৰু সর্ঘণযন্ত্র আদি আহিলা ব্যৱহাৰ কৰিছিল। অন্তিম প্রত্নপ্রস্তৰ যুগৰ জলবায়ু আদি আৰু মধ্য প্রত্নপ্রস্তৰ যুগৰ জলবায়ুতকৈ আৰু কম আর্দ্র আছিল। যাৰ ফলত পৃথিৰীৰ ওপৰিভাগৰ বৰক্ষবোৰ গলিবলৈ আৰম্ভ কৰিছিল।

## ১.৪ মধ্য প্রস্তৰ যুগৰ সংস্কৃতি

মধ্য প্রস্তৰ যুগ হ'ল প্রত্নপ্রস্তৰ যুগ আৰু মধ্যপ্রস্তৰ যুগৰ মাজৰ পৰিবর্তনশীল সময়। মধ্যপ্রস্তৰ

যুগৰ ভূ-তাত্ত্বিক বয়স হ'ল 'হ'ল'কেন' (Holocene) সময়ছোৱা। এই সময়ছোৱাত পাৰিপাৰ্শ্বিক অৱস্থাৰ বিভিন্ন ধৰণৰ পৰিবৰ্তন ঘটিছিল। আদি আৰু মধ্য হ'ল'কেন যুগৰ জলবায়ু আৰ্দ্ৰ আৰু গৰম আছিল। গ্ৰীষ্মকালত যথেষ্ট বৰষুণ আৰু শীতকালত মধ্যম পৰিমাণৰ বৰষুণ হৈছিল। ফলস্বৰূপে, প্লেইচটোকেন কাল বা হিমযুগ প্ৰায় ১১, ০০০০খ্ৰী. পূ. লৈ অন্তিম প্ৰত্ন প্ৰস্তৰ যুগৰ পৰিসমাপ্তিৰ লগে লগে জলবায়ু অধিক উষ্ণ হ'বলৈ ধৰে। মধ্য প্ৰস্থৰ যুগ ৪০০০ খ্ৰী. পূ. লৈ চলি আছিল আৰু ইয়াৰ পিছতে নৱপ্ৰস্তৰ যুগৰ আৰম্ভণি ঘটিছিল। মধ্যপ্ৰস্তৰ যুগৰ লোকসকল চিকাৰ, খাদ্যসংগ্ৰহ আৰু মাছ মৰা কাৰ্য্যৰে জীৱন-নিৰ্বাহ কৰিছিল। পোন প্ৰথমে তেওঁলোকে জন্তুবোৰ ঘৰচীয়া কৰা আৰু খণ্ডপালন কৰা ধাৰণাৰ বিষয়ে অৱগত নাছিল। মধ্যপ্ৰস্থৰ যুগৰ শেষভাগলৈহে লোকসকলে জীৱ-জন্তু ঘৰচীয়া কৰা আৰু পশুপালন কৰিবলৈ শিকিছিল; গৰু, ঘোঁৰা আৰু কিছুমান চৰাই পুহিবলৈ আৰম্ভ কৰিছিল।

মধ্য প্ৰস্থৰ যুগ বিস্তৃত এলেকাবোৰে কিছু নিশ্চলতা দেখুৱাইছে। স্থায়ী আৰু অস্থায়ী-দুই ধৰণেৰে বসতি সেই কালছোৱাত অতি কম পৰিমাণত বৰ্তি আছিল। মধ্যপ্ৰস্থৰ যুগৰ বেছি অংশত মৃৎশিল্পৰ অস্থিত্ববিহীনতা পৰিলক্ষিত হয়। কিন্তু, লংহনাজ্ (গুজৰাটত অৱস্থিত) আৰু উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰৰ কাইমূৰ অঞ্চলত মৃৎশিল্পৰ অৱশিষ্ট অংশ উদ্ধাৰ হৈছে।

মধ্যপ্ৰস্থৰ যুগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিকাশ হ'ল বসতিৰ সম্প্ৰসাৰণ। জনসংখ্যা বৃদ্ধিৰ লগে লগে লোকসকলে বসতিৰ বিস্তৃতি বাঢ়িবলৈ ধৰে। অনুকূল পাৰিপাৰ্শ্বিক অৱস্থা আৰু উন্নত কলা-কৌশলে বসতিৰ সম্প্ৰসাৰণত সহায়ক হিচাপে কাম কৰিছিল।

মধ্য প্ৰস্থৰ যুগৰ শেষলৈ প্ৰাৰম্ভিক পৰ্য্যায়ত কৃষি কাৰ্য্যৰ আৰম্ভণি ঘটিছিল। লুণীয়া হ্ৰদ (Salt lake), চম্বৰ (Sambhar) আৰু লুনকাৰানচৰ (Lunkaransar) (আটাইকেইটা অঞ্চল ৰাজস্থানত অৱস্থিত) অঞ্চলত আৱিষ্কৃত গছপুলি ৰোপনৰ কাৰ্য্যই ভাৰতবৰ্ষত প্ৰায় ৭০০০-৬০০০ খ্ৰীঃ পূঃত কৃষিকাৰ্য্যৰ আৰম্ভণি হোৱাৰ ইংগিত বহন কৰে। শিলৰ আহিলাবোৰেও পৰিবৰ্তন হ'বলৈ ধৰিছিল। শিলেৰে নিৰ্মিত ক্ষুদ্ৰ ক্ষুদ্ৰ আহিলা (মাইক্ৰলিথ বুলি কোৱা হয়) ব্যৱহাৰৰ বাবে মধ্যপ্ৰস্তৰ যুগ বিখ্যাত। মাইক্ৰলিথবোৰ হ'ল ব্লেডৰ নিচিনা ক্ষুদ্ৰ আহিলা যাক সৰু, জোঙা আৰু চোকা শিলৰ অংশৰে তৈয়াৰ কৰা হয়। মধ্যপ্ৰস্থৰ যুগৰ বিস্তৃতি থকা কিছুমান গুৰুত্বপূৰ্ণ অঞ্চল পশ্চিম আৰু মধ্য ভাৰতত পোৱা গৈছে। বেগৰ লুণীয়া হ্ৰদ, চম্বাৰ, লুনকাৰানচৰ, ডিমৰেটকা, লংনাজ (গুজৰাটত অৱস্থিত), আডমগড়(মধ্যপ্ৰদেশৰ অৰ্ন্তগত) আৰু মিৰ্জাপুৰ (উত্তৰ প্ৰদেশত) ত মধ্যপ্ৰস্তৰ যুগৰ বিস্তৃতিৰ তথ্য পোৱা গৈছে।

প্ৰত্নপ্ৰস্তৰ যুগৰ লোকসকলৰ নিচিনা মধ্যপ্ৰস্তৰ যুগৰ লোকসকলেও চিত্ৰ অংকনৰ লগত পৰিচিত আছিল । ভিমৰেটকাত শিলত খোদিত চিত্ৰাংকনবোৰে এই কথাৰ সপক্ষে সাক্ষ্য দাঙি ধৰিছে। আদমগড় আৰু মিৰ্জাপুৰুতও মধ্যপ্ৰস্থৰ যুগৰ চিত্ৰাংকনৰ প্ৰমাণ পোৱা গৈছে। মধ্যপ্ৰস্তৰ যুগৰ লোকসকলৰ প্ৰধান ঘটনাৰাজি এই চিত্ৰবোৰৰ জৰিয়তে অংকিত কৰি ৰখা হৈছে। এই চিত্ৰবোৰত চিকাৰকাৰ্য্য, খাদ্য সংগ্ৰহ, মাছ ধৰা আদিৰ উপৰিও সন্তান প্ৰসৱ আৰু মৃতকৰ সৎকাৰ অংকিত কৰা হৈছে। বিভিন্ন ধৰণৰ ৰঙৰ ব্যৱহাৰ মধ্য প্ৰস্তৰ যুগৰ ছৱিবোৰৰ বিশেষ বৈশিষ্ট্য। বগা

আৰু পাতল ৰঙা ৰঙ সঘনাই ব্যৱহাৰ কৰা দেখা গৈছিল। খনিজ পদাৰ্থবোৰৰ লগত পানী, জীৱ-জন্তুৰ চৰ্বী আৰু কণীৰ বগা অংশ মিহলাই ৰং প্ৰস্তুত কৰা হৈছিল। এক ৰঙৰ আৰু বহু ৰংঙৰ - দুইধৰণৰ ছবি তেওঁলোকে আঁকিছিল।



**অগ্ৰগতি নিৰীক্ষণ**

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়াঃ

**প্ৰশ্ন নং ১ ঃ** প্ৰত্নপ্ৰস্তৰ যুগৰ চিত্ৰবোৰ ক'ত উদ্ধাৰ হৈছে?

_____

**প্ৰশ্ন নং ২ ঃ** মধ্যপ্ৰস্তৰ যুগত ব্যৱহৃত আহিলাবোৰ নাম লিখা।

_____

**প্ৰশ্ন নং ৩ ঃ** আদমগড় আৰু মিৰ্জাপুৰত কোনটো যুগৰ চিত্ৰৰ অৱশিষ্ট অংশ পোৱা গৈছে?

_____

**প্ৰশ্ন নং ৪ ঃ** প্ৰাৰম্ভিক অথবা আদি কৃষি কোনটো যুগত প্ৰচলিত হৈছিল?

_____

## ১.৫ নৱ প্ৰস্তৰ যুগৰ সংস্কৃতি

প্ৰাক্-ঐতিহাসিক যুগৰ তৃতীয়টো পৰ্য্যায় হ'ল খাদ্য উৎপাদনৰ যুগ। এই যুগটোক নৱপ্ৰস্তৰ যুগ বা নতুন শিলৰ যুগ বুলি কোৱা হয়। নৱপ্ৰস্তৰ যুগৰ ভূ-তাত্বিক বয়স হ'ল হ'লোকেন (Holocene ) কাল। ভাৰতবৰ্ষত নবপ্ৰস্তৰ যুগৰ আৰম্ভণি ঘটিছিল ৪,০০০ খ্ৰী. পূ.ত।

কেইখনমান নৱপ্ৰস্তৰ যুগৰ বিস্তৃতি তথ্য পোৱা অঞ্চল হ'ল মেহৰগড় (বেলুচিস্তানৰ অৰ্ন্তগত), কিল্লিঘুল (পাকিস্তানৰ বেলুচিস্থান প্ৰদেশৰ অৰ্ন্তগত), চিৰান্দ (বিহাৰত অৱস্থিত), চোপানিমানন্দু (উত্তৰ-প্ৰদেশত অৱস্থিত), ব্ৰহ্মাগিৰি (কৰ্ণাটকৰ অৰ্ন্তগত) আৰু বিন্ধ্যা অঞ্চলৰ উত্তৰৰ শাখা পৰ্বত। দক্ষিণ ভাৰতত খনন কাৰ্য্য চলোৱা কেইখনমান অঞ্চল হ'ল মাস্কি, হাল্লুৰ, কোডেকল (কৰ্ণাটকত অৱস্থিত), উটনুৰ (অন্ধ্ৰপ্ৰদেশৰ অৰ্ন্তগত)।



**জানি থোৱা ভাল**

হ'লকেন যুগ হ'ল প্লেইচটোকেন যুগৰ পিছত আৰম্ভ হোৱা ভূ-তাত্বিক যুগ। দুটা গ্ৰীক শব্দ 'হ'লচ' আৰু 'কাইনোচ্'ৰ পৰা হ'লকেন শব্দৰ উৎপত্তি। হ'লচ মানে হ'ল সমগ্ৰ বা সকলো আৰু কাইনোচ মানে 'নিউ'। গতিকে শব্দটোৰ অৰ্থ হ'ল সম্পূৰ্ণভাবে নতুন বা সাম্প্ৰতিক। গতিকে শব্দটোৰ অৰ্থ হ'ল সম্পূৰ্ণভাবে নতুন বা সাম্প্ৰতিক।

নবপ্ৰস্তৰ যুগত মানৱ সভ্যতাৰ বহুলভাৱে বিকাশ ঘটিছিল। বহুধৰণৰ পৰিবৰ্তন সেই যুগত সংঘটিত হৈছিল। নৱপ্ৰস্তৰ যুগৰ লোকসকল চিকাৰ আৰু ফল-মূল সংগ্ৰহত কম পৰিমাণে নিৰ্ভৰশীল

আছিল। খাদ্যৰ উৎপাদনৰ আৰম্ভণি নৱপ্রস্তৰ যুগৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশ। তেওঁলোকে খাদ্যৰ বাবে খেতি বাতি কৰিছিল। ঘেহুঁ আৰু গোম আছিল নৱপ্রস্তৰ যুগৰ লোকসকলৰ প্রধান উৎপাদিত খাদ্য। খেতি কার্য্য সম্পাদন পদ্ধতিৰ বিষয়ে বিশেষ তথ্য এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। খেতিয়কসকলে বৰষুণৰ পানী ব্যৱহাৰ কৰিছিল। সৰু শিলেৰে নির্মিত কাঠৰ হস্তক মুক্ত কাঠি শস্য চপোৱাৰ বাবে ব্যৱহাৰ কৰিছিল।

নৱপ্রস্তৰ যুগৰ লোকসকলে নিশ্চল জীৱন যাপন কৰিছিল। তেওঁলোকে গৃহ নির্মাণৰ লগতে গাওঁপাতি বসবাস কৰিছিল। মেহৰগড় অঞ্চলৰ লোকসকলে হাতেৰে নির্মিত বোকাৰ ইটাৰে ঘৰ নির্মাণ কৰিছিল। নৱপ্রস্তৰ যুগৰ লোকসকলে জীৱ-জন্তু ঘৰচীয়া কৰিছিল। ছাগলী, ভেঁড়া আদি পোহনীয়া জন্তুৰ হাঁড় বিভিন্ন অঞ্চলত উদ্ধাৰ হৈছে। গৰু বোৰ আছিল নৱপ্রস্তৰ যুগৰ পোহনীয়া জন্তুবোৰৰ ভিতৰত বহুলভাৱে ঘৰচীয়া কৰা জন্তু। জীৱ-জন্তু ঘৰচীয়া কৰাটো খেতি উৎপাদন পদ্ধতিৰ অংশবিশেষ আছিল।

এইবোৰৰ উপৰিও জুইৰ, মৃৎশিল্পৰ প্রয়োগ আৰু চকাৰ ব্যৱহাৰে নৱপ্রস্তৰ যুগৰ আমোল পৰিবর্তন সাধন কৰিছিল। চকাৰ সহয়ত প্রস্তুত কৰা, ৰং বুলোৱা মৃৎ সঁজুলিবোৰ নৱপ্রস্তৰ যুগৰ অন্যতম দিশ।

নৱপ্রস্তৰ যুগত শিলৰ আহিলাৰ ব্যৱহাৰ বহুলভাবে প্রচলিত হৈ আছিল। সেইসময়ত ব্যৱহাৰ কৰা শিলবোৰ প্রাকৃতিকৰ সলনি চিকচিকিয়া আছিল। ধনুৰা আগ ব্লেড, কাচি আছিল সেইসময়ত ব্যৱহৃত শিলৰ সঁজুলিবোৰৰ অন্যতম। নৱপ্রস্তৰ যুগৰ শেষৰ ফালে অন্য এক বিকাশ ঘটিছিল। ই হৈছিল ধাতুৰ প্রচলন। নৱপ্রস্তৰ লোকে ব্যৱহাৰ কৰা প্রথম ধাতু আছিল তাম। তামৰ প্রচলন পোৱাৰ সাক্ষ্য আছিল মেহৰগড়, নৱপ্রস্তৰ যুগৰ অন্য এক বসতি ঠাই। আহিলাবোৰৰ বিকাশ, খাদ্য উৎপাদন, কুমাৰ শিল্পয়ে স্থায়ী বসতিৰ কথা কয়।

ভাৰত উপ-মহাদেশৰ উত্তৰ-পশ্চিম ভাগত এক বৃহৎ পৰিমাণৰ গাঁও বসতি গঢ় লৈ উঠাৰ সাক্ষ্য বহন কৰিছে। এই গাঁও বিলাকৰ উৎপত্তিৰ নির্দ্দিষ্ট সময়সীমা নির্দ্ধাৰণ সম্ভৱ নহয়। কিন্তু ৭০০০-৩০০০ খ্রীঃপূঃ খাদ্য উৎপাদন কৰা গাঁওবোৰ বেলুচিস্তান আৰু বিন্ধ্যাঞ্চলত উৎপত্তি হৈছিল। এই অঞ্চলবোৰৰ ভিতৰত অন্যতম আছিল মেহেৰগড় ( বেলুচিস্তানৰ বোলান উপত্যকাৰ অর্ন্তগত। মেহেৰগড় অঞ্চলটোক নৱপ্রস্তৰ বসতি থকা অঞ্চল হিচাপে মানি লোৱা হয় যদিওৱা অতি কম পৰিমাণৰ তাম ইয়াত উদ্ধাৰ হৈছে। মেহেৰগড় অঞ্চলৰ লোকসকলে হাতেৰে তৈয়াৰী ইটাৰ ঘৰত বসবাস কৰিছিল। তেওঁলোকে ঘেহুঁ আৰু গোমৰ খেতি কৰিছিল। চকাৰে ধান প্রস্তুত কৰা সু-সজ্জিত মৃৎ সামগ্রীবোৰ মেহেৰ গড় অঞ্চলৰ অন্যতম বৈশিষ্ট্য। ষ্টিয়েটাইট (statite) মণিৰ অলংকাৰবোৰে সেই অঞ্চলৰ মণি-উৎপাদনৰ শিল্প কার্য্যৰ বিষয়ে ইংগিত দিয়ে।

কিলিগুল মহম্মদ ( Kiligul Muhommed ) আছিল আন এখন গাঁওৰ বসতি অঞ্চল। এই ঠাইৰ লোকসকলেও বোকামাটিৰে নির্মিত ঘৰত বসবাস কৰিছিল। চকাৰ সহায়ত উৎপন্ন বিভিন্ন জ্যামিতিক আকাৰেৰে সজ্জিত মৃৎ-সঁজুলি তেওঁলোকে। ভাৰত উপ-মহাদেশৰ উত্তৰ-পশ্চিম ভাগত থকা গাঁও বসতি থকা কিছুমান অঞ্চল হ'ল মুনদিগাক (আফগানিস্তানত অন্তর্গত )

জোব- ল'ৰালাই (বেলুচিস্তানত অৱস্থিত) আৰু ৰাণা ঘূণদাই (বেলুচিস্তানৰ অন্তৰ্গত)।

উত্তৰ প্রদেশৰ দক্ষিণাঞ্চলৰ বিন্ধ্যাঞ্চল আছিল প্রাৰম্ভিক গাঁও বসতিৰ অন্যতম কেন্দ্রস্থল। কোলডিহৱা আৰু মহাগাৰা (এলাহাবাদ জিলাৰ অন্তৰ্গত) অঞ্চল দুটা অন্যতম গুৰুত্বপূর্ণ বসতি স্থল। এই ঠাইৰ লোকসকলেও খেতিবাতি কৰিছিল। স্থায়ীবসতিৰ কিছুমান গুৰুত্বপূর্ণ দিশ হ'ল মৃৎশিল্প, জীৱজন্তু ঘৰচীয়া কৰণ, পশুপালন আৰু নদীৰ ওচৰৰ বসতি স্থাপন। এই সকলেবোৰ বৈশিষ্ট্য কোলড়িৱা আৰু মহাগৱা অঞ্চলৰ ক্ষেত্রত প্রযোজ্য।

সংগনাকল্লু (কর্ণাটকৰ অন্তৰ্গত) আছিল নৱপ্রস্তৰ যুগৰ প্রাৰম্ভিক গাঁও বসতি স্থাপনৰ অন্যতম অঞ্চল। এইখন আছিল দক্ষিণ ভাৰতৰ আটাইতকৈ ডাঙৰ আৰু প্রথম গাঁও বসতি অঞ্চল। এই অঞ্চলৰ লোকসকলেও কৃষিকার্য্য কৰিছিল। এই অঞ্চলৰ লোকসকলে কণীধান আৰু দালিৰ খেতি কৰিছিল। গৰু আৰু ঘোঁৱা ঘৰচীয়া জন্তু হিচাপে তেওঁলোকে ব্যৱহাৰ কৰিছিল। এই সময়ৰ লোকসকলে শিলেৰে নির্মিত আহিলা যেনে কুঠাৰ, ব্লেড, কাঁচি আদি ব্যৱহাৰ কৰিছিল। অনুকূল জলবায়ুৰে উন্নত শিলৰ আহিলা প্রস্তুতত সহায় কৰিছিল আৰু স্থায়ী বসতি স্থাপনত সহায়ক হিচাপে কাম কৰিছিল। নৱপ্রস্তৰ যুগৰ শেষলৈ আন এক গুৰুত্বপূর্ণ অগ্রগতি ঘটিছিল। সেইটো হ'ল ধাতুৰ ব্যৱহাৰ। নৱপ্রস্তৰ যুগত ব্যৱহৃত প্রথম ধাতুবিধ হ'ল তাম। মেহেৰগড় হ'ল নৱগ্রস্থৰ যুগৰ বসতি থকা অন্যতম অঞ্চল য'ত তামৰ ধাতু ব্যৱহৃত হৈছে। আহিলাসমূহৰ উন্নতিকৰণ, খাদ্য উৎপাদন, মৃৎশিল্প আদিয়ে স্থায়ী বসতিৰ বাবে সহায়ক হিচাপে কাম কৰিছিল আৰু বহুত সৰু সৰু গাঁও কিছুমান ভাৰত উপমহাদেশত গঢ় লৈ উঠিছিল।

**অগ্রগতিৰ খতিয়ান**



তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়াঃ

**প্রশ্ন নং ৫ ঃ** শস্য চপোৱাৰ বাবে নৱপ্রস্তৰ যুগৰ লোকসকলে কি আহিলা ব্যৱহাৰ কৰিছিল?

_____

**প্রশ্ন নং ৬ ঃ** চনগনাকাল্লু (Sanganakallu) ক'ত অৱস্থিত?

_____

**প্রশ্ন নং ৭ ঃ** নৱপ্রস্তৰ লোকসকলে ব্যৱহাৰ কৰা প্রথম ধাতুবিধ কি?

_____



## ১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে —

- প্রাক্-ঐতিহাসিক যুগক তিনিটা ভাগত ভাগ কৰিব পাৰি প্রত্নপ্রস্থৰ যুগ, মধ্যপ্রস্তৰ যুগ আৰু নৱপ্রস্তৰ যুগ।

- প্রত্নপ্রস্তৰ যুগৰ লোকসকল আছিল অঘৰী আৰু তেওঁলোক কৃষিকার্য্য সম্পর্কে জ্ঞাত নাছিল। প্রাকৃতিক শিলবোৰ তেওঁলোকে আহিলা তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰিছিল। তেওঁলোকৰ চিত্র অংকনৰ জ্ঞান আছিল।
- মধ্যপ্রস্তৰ যুগৰ লোকসকল আছিল অঘৰী। কিন্তু মধ্যপ্রস্তৰ যুগৰ শেষলৈ লোকসকলে জীৱ-জন্তু ঘৰচীয়া কৰিবলৈ শিকিছিল। মধ্য প্রস্তৰ যুগৰ জলবায়ু প্রত্নপ্রস্তৰ যুগৰ জলবায়ুতকৈ উষ্ণ আছিল। তেওঁলোকে কিছু পৰিমাণে প্রাৰম্ভিক কৃষিকার্য্যও আৰম্ভ কৰিছিল। তেওঁলোকে শিলৰ সৰু অংশৰ পৰা ব্লেডৰ নিচিনা আহিলা প্রস্তুত কৰিছিল। মধ্যপ্রস্তৰ যুগৰ লোকসকলে নিজৰ গুৰুত্বপূর্ণ ঘটনাৱলী চিত্রবোৰত প্রকাশ কৰিছিল।
- নৱপ্রস্তৰ যুগত খাদ্য উৎপাদন পদ্ধতিৰ আৰম্ভণি ঘটিছিল। নৱপ্রস্তৰ যুগৰ লোকসকলে ঘৰ সাজি বসবাস কৰিছিল, তেওঁলোকে কৃষিকার্য্য আৰু জন্তুৰ ঘৰচীয়া কৰাৰ পদ্ধতি সম্পর্কে জ্ঞাত আছিল। তেওঁলোকে চকা, মৃৎশিল্প আৰু জুইৰ ব্যৱহাৰ কৰিছিল। নৱপ্রস্তৰ যুগৰ পিছৰ ভাগত তেওঁলোকে ধাতু ব্যৱহাৰ কৰিছিল। শিলৰ আহিলাবোৰ চিকচিকিয়া আছিল। জলবায়ুৰ পৰিবর্তনে নৱপ্রস্তৰ যুগৰ লোকসকলক কৃষি কৰাত সহায় কৰিছিল।



## ১.৭ অধিক জানিবলৈ

১। Kosambhi, D.D. (2001). *The Cultural and Civilization of Ancient India in Historical Outline*. New Delhi, India : Vikas Publication.

২। Thapar, Romila. (2003). *The Penguin History of Early India: From the Orogins to AD 1300*. New Delhi, India : Penguin Book.

৩। Singh, Upinder. (2009). *A History of Ancient and Early Medieval India : From from the Stone Age to the 12th Century*, New Delhi, India : Pearson.



## ১.৮ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰ ঃ** মাইক্রলিথ

**২ নং প্রশ্নৰ উত্তৰ ঃ** ভিবৰেট্কা

**৩ নং প্রশ্নৰ উত্তৰ ঃ** মধ্যপ্রস্ত

**৪ নং প্রশ্নৰ উত্তৰ ঃ** মধ্য প্লেইচটোচিন যুগ

**৫ নং প্রশ্নৰ উত্তৰ ঃ** কাঁচি

**৬ নং প্রশ্নৰ উত্তৰ ঃ** কর্ণাটক

**৭ নং প্রশ্নৰ উত্তৰ ঃ** তাম



## ১.৯ আৰ্হি প্ৰশ্ন

**(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)**

**প্ৰশ্ন ১ ঃ** প্লেইছটোচিন যুগৰ সংজ্ঞা লিখক।

**প্ৰশ্ন ২ ঃ** প্ৰত্নপ্ৰস্তৰ যুগৰ লোকসকলে জীৱন নিৰ্বাহৰ বাবে কি পদ্ধতি অৱলম্বন কৰিছিল?

**প্ৰশ্ন ৩ ঃ** মাইক্ৰলিথ কি?

**(খ ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)**

**প্ৰশ্ন ১ ঃ** প্ৰাক্-ঐতিহাসিক যুগৰ পাৰিপৰ্শ্বিক অৱস্থাৰ পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** প্ৰত্নপ্ৰস্তৰ যুগৰ তিনিওটা ভাগৰে তুলনামূলক আৰু বৈপৰিত্যবোৰ আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** প্ৰাৰম্ভিক গাঁও বসতিৰ ওপৰত টোকা লিখক।

**(গ ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৫০০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)**

**প্ৰশ্ন ১ ঃ** মধ্যপ্ৰস্তৰ লোকসকলৰ জীৱন আৰু আহিলাৰ বিষয়ে আলোচনা কৰক আৰু ভাৰতত মধ্যপ্ৰস্তৰ যুগৰ বসতি ঠাই উল্লেখ কৰক।

**প্ৰশ্ন ২ ঃ** নৱ প্ৰস্তৰ যুগ আৰু প্ৰাক্-ঐতিহসিক যুগৰ প্ৰাৰম্ভিক কালৰ মাজত কি কি বৈসাদৃশ্য আছে?

******